৬ মাৰ্চ,২০১৭

আৰ বি আই/২০১৬-১৭/২৪৩
ডিজিবিএ.জিএডি. নং ২২৯৪/১৫.০৪.০০১/২০১৬-১৭

সকলো এজেঞ্চি বেংক

মহাশয়/মহাশয়া,

**স্বৰ্ণ মৌদ্ৰিকৰণ আঁচনি**

ওপৰোক্ত বিষয় সম্পৰ্কীয় আৰ বি আই Master Director No.DBR.IBD.No. 45/23.67.003/2015-16 dated October 22, 2015 (২১ জানুৱাৰী, ২০১৬লৈকে শেহতীয়া কৰা) সন্দৰ্ভলৈ আহে যেন। আঁচনিখন কাৰ্যকৰী কৰিবলৈ তলৰ মতে দিহা দিয়া হ'লঃ

২. ৰিপোৰ্টিং, সমিলমিল আৰু গণনাত একৰূপকত্বৰ কাৰণে এজেন্সি বেংকবিলাকে, কেন্দ্ৰীয় একাউন্টছ শাখা, ভাৰতীয় ৰিজাৰ্ভ বেংক নাগপুৰত সেই উদ্দেশ্যে চলোৱা চৰকাৰী একাউন্টযোগে পোনপটীয়াকৈ, স্বৰ্ণ মৌদ্ৰিকৰণ আঁচনিখনৰ লেন-দেনবোৰ অৰ্থাত্ প্ৰাপ্তি, প্ৰদান, দণ্ড, সুদ, সঞ্চালনৰ কমিছন, ব্যৱসায়িক লেন-দেন, মাচুল আদি প্ৰতিবেদিত কৰিব। আপুনি সেয়ে, স্বৰ্ণ মৌদ্ৰিকৰণ আঁচনি লেনদেন তত্কালে কাৰ্যকৰী হোৱাকৈ প্ৰতিবেদিত কৰিবলৈ আৱশ্যকীয় যা-যোগাৰৰ কাৰণে নাগপুৰস্থিত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ কেন্দ্ৰীয় একাউন্টছ শাখাত যোগাযোগ কৰিব পাৰে।

৩. আঁচনিখন সঞ্চালন কৰিবলৈ কৰ্তৃত্ব দিয়া শাখাবোৰক আঁচনিখনৰ তথ্যাৱলী তেওঁলোকৰ গ্ৰাহকসকলৰ বোধগম্যভাৱে দৃষ্টিগোচৰ কৰিবলৈ দিহা দিব।

আপোনাৰ বিশ্বাসী,

(পাৰ্থ চৌধুৰী)
মহা প্ৰৱন্ধক